# জীৱনৰ হিচাপ

গীতাঞ্জলি মজুমদাৰ
স্নাতক ১ম বৰ্ষ (কলা)

*জীৱনৰ হিচাপেৰে বহুদিন হ'ল*
*মহাকালৰ গৰ্ভত হেৰাই গৈছে মধুময় পল ।*
*পাৰ হৈ গৈছে ঘটনা বহুল এছোৱা সময় ।*
*এতিয়া অতীতটোহে মনৰ মাজত*
*লুকা ফাকু খেলে,*
*যেতিয়া মনৰ মাজত ফাগুন আছিল*
*ফুলিছিল কৃষ্ণচূড়া*
*মেঘবোৰ কহুৱা হৈ হালি জালি নাচিছিল*
*তেতিয়া ভাবিছেলোঁ ৰংবোৰ ক'ত থওঁ ?*
*মই ক'ত লুকাওঁ ?*
*সূৰ্যৰ সোনোৱালী কিৰণত*
*হয়তো মই চঞ্চল হৈ উঠিছিলোঁ*
*বহুতো ৰং একেলগে পাই ।*
*ভাবিছিলোঁ ক'ত থওঁ ইমানবোৰ ৰঙীন অনুভূতি ?*
*কিন্তু*
*এতিয়া মই আকাশলৈ চাওঁ,*
*জোনৰ কাষত তৰাটো নাই ।*
*বতাহ বলিছে কিন্তু গছৰ পাত লৰা নাই ।*
*কি পালোঁ, কি হেৰুৱালোঁ,*
*হিচাপ কৰিব খুজিছোঁ*
*কিন্তু কাগজ বিচাৰি পোৱা নাই ।* ❑❑

# বাসনা

চন্দামিতা দাস
স্নাতক দ্বিতীয় বৰ্ষ

*অতীতৰ স্মৃতিবোৰে*
*আজি হঠাৎ উক দিছে ।*
*ৰিক্ত হৃদয়ৰ পৰা*
*চেপি চেপি ওলাই*
*আহিছে বেদনাসিক্ত অশ্ৰু ।*
*জীৱনটো হঠাৎ সলনি হ'ল*
*সলনি হ'ল দৈনন্দিন কৰ্ম ।*
*ব্যস্ততাই পাহৰাব দুঃখবোৰ ।*
*কিন্তু হায় ! নীৰৱতাই, নিৰ্জনতাই*
*আনি দিয়ে টুকুৰা স্মৃতি ।*
*জীৱনটো হৈ পৰে নিৰাসক্ত ।*
*জীৱনৰ প্ৰতি আহে তিক্ততা*
*নিমিষতে নিঃশেষ কৰি*
*দিয়াৰ বাসনাই ঠন ধৰি উঠে*
*কিন্তু পিছ মুহূৰ্ততেই জীৱনৰ*
*প্ৰতি মায়া ওপজে*
*জীয়াই থকাৰ দুবৰি বাসনাই*
*ঘেৰি ধৰে*
*সমগ্ৰ সত্তা ।* ❑❑

# অসমীৰে আকাশতে

নিৰঞ্জন মহন্ত
প্ৰবক্তা, শিক্ষা বিভাগ

*অসমীৰে আকাশতে ক'লা ধোঁৱা বলিছে,*
*চৌদিশে আজি দেখোঁ বিদ্ৰোহৰ জুই জ্বলিছে।*
*বৰঘৰত শতৰুৱে টিঘিলঘিলাই ফুৰিছে,*
*অসমৰ নেতাবোৰ হাত সাৱটি বহিছে।*
*পুত্ৰহাৰা মাতৃহাৰাৰ নিৰ্যাতনবোৰ চলিছে,*
*সৰ্বহাৰা হৈ আজি চকুপানী টুকিছে,*
*স্বাৰ্থলোভী সবে বিভেদৰ বীজ সিঁচিছে,*
*অসমৰ নেতাবোৰে ক্ষমতাৰ সোৱাদ পুৰাইছে।*
*দুৰ্বল মানুহ আজি হতাশাত ভুগিছে,*
*মুখা পিন্ধাই তাকে দেখি ইতিকিং কৰিছে।*
*পোৱা নোপোৱাৰ আৰ্তনাদে ধৰণী কঁপাইছে,*
*অসমৰ নেতাবোৰে সদায় প্ৰৱঞ্চনাই কৰিছে।*
*ৰজা-প্ৰজা সকলোৱে অনিয়মেই কৰিছে,*
*দেখিও নেদেখাৰ ভাও সকলোৱে জুৰিছে।*
*সৰলতা মানৱতা নোহোৱা হৈ পৰিছে,*
*অসমৰ নেতাবোৰে শিশু ধেমালি কৰিছে।*
*সমাজৰ নিয়ম ভাঙি নতুন নিয়ম পাতিছে,*
*সংকীৰ্ণতাক সকলোৱে আদৰণি জনাইছে।*
*জীৱ শ্ৰেষ্ঠ মানুহ আজি অমানুহ হৈছে,*
*অসমৰ নেতাবোৰে তাতে অৰিহণা যোগাইছে।*
*অসমী আইৰে য'ত করুণ কাহিনী*
*হওক ইয়াতেই যেন সকলো সমাধি।*
*বহু ভাষা ধৰ্মৰ মিলনৰ সংগম ভূমি*
*সবাৰে আপোন হওক আই অসমী।।*

*........................................*

*প্ৰয়াস আজি অভিনৱ যাত্ৰা*
*নাহিবা আৰু এই কটুৰতা।*
*হেৰাই যোৱা জীৱনৰ চন্দ্ৰাৱলী*
*অবিনাশী মনে পামনে বিচাৰি ??*

❑❑

# প্ৰেম

প্ৰহ্লাদ ভৰালী
প্ৰবক্তা, অৰ্থনীতি বিজ্ঞান বিভাগ

*'প্ৰেম'*
*দুটি আখৰৰ এটি সৰু শব্দ।*
*যিয়ে মানৱ জীৱনলৈ আনে এক নতুন অৰ্থ।*
*যাৰ গভীৰতা সাগৰতকৈ দ,*
*বিস্তৃত আকাশতকৈও বিশাল।*
*'প্ৰেম'*
*এক মৃত্যুহীন কিংবদন্তি।*
*মানৱ সভ্যতাৰ অশৈশৱ সংগী,,*
*স্বৰ্গীয় যন্ত্ৰণা, বেদনা গধুৰ*
*সুখৰ নামেই প্ৰেম।*
*প্ৰেমক জানো কোনোবাই*
*কৰিব পাৰিছে উপেক্ষা ?*
*প্ৰেমৰ ওচৰত নামী-অনামী;*
*ধনী-দুখীয়া, জাত-পাত, ৰজা-প্ৰজা*
*কাৰো ভেদাভেদ নাই।*
*শাস্ত্ৰৰ কঠোৰ বিধান, সামাজিক ৰীতি-নীতি*
*নেওচি প্ৰেমৰ প্ৰতি মানুহৰ*
*আজীৱন তৃষ্ণা।*
*প্ৰেমৰ বাবেই আবহমান কালৰ পৰা*
*পৃথিৱীত সৃষ্টি হৈছে,*
*যুদ্ধ-বিগ্ৰহ, ৰাজনৈতিক পতন, ভয়াবহ বিপৰ্যয়।*
*ত্ৰয়নগৰ ধ্বংস, সৃষ্টি হৈছিল আগ্ৰাৰ তাজমহল,*
*অথবা ৰচিত হৈছিল ডিভাইন কমেডী।*
*ইতিহাস সুন্দৰী মিৰ্জাগিয়াচ বেগৰ কন্যা*
*মেহেৰুন্নিচাৰ বাবেই শাহজাদাই*
*পিতৃৰ বিৰুদ্ধিতা কৰিলে,*
*শ্বেলী -হেৰিয়েট - মেৰি, টলষ্টয় - চোফিয়া,*
*বাৰ্ণাৰ্ড শ্ব - এলিচলকেট - টাউনচেণ্ড*
*কাৰ্লমাৰ্ক্স - মেনিফণ ভেষ্টফালেন*
*আটায়ে বন্দী হ'ল*
*দুটি আখৰৰ এটি সৰু শব্দ 'প্ৰেম'ৰ মাজত।* ❑❑

# প্ৰেম-পাৰিজাত

অনিতা ৰাভা
স্নাঃ তৃতীয় বৰ্ষ (কলা)

*তুমি দিয়া ৰঙীণ সুতাৰে*
*গাঁথিলোঁ বকুলৰ মালা*
*নীৰৱে ।*
*শেৱালি ফুলৰ মালা*
*গাঁথিব মই নাজানো*
*নিশা ফুলি মৰহে*
*পুৱাতে,*
*পাৰিজাত নহওঁ মই*
*দেৱীৰ খোপাত ফুলি*
*থকা*
*নহওঁ মই ৰঙা গোলাপ*
*প্ৰেমৰ প্ৰতীক ভুৱন ভুলাই*
*মিচিকি হঁহা ।*
*মই মাথোঁ এপাহি*
*মদাৰ*
*পুজা সবাহতো*
*নলগা ।*
*কিয় বাৰু ল'ব*
*বিচাৰিছা*
*তুমি*
*আকোৱালি*
*পুষ্প পাৰিজাত বুলি ।*

❑❑



# উলঙ্গ পৃথিৱীৰ কান্দোন

ৰঞ্জিত কুমাৰ ৰাভা
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

*এখনি উলঙ্গ*
*পৃথিৱীৰ কান্দোন*
*সৌ দুৰণিৰ পাহাৰত*
*প্ৰতিধ্বনি শুনো*
*বস্ত্ৰ হৰণকাৰীৰ অট্টহাস্য*
*বিজয় উলাহৰ খলকনি ।*
*ইতিহাস বাৰে বাৰে ধৰ্ষিতা আজি*
*কাঢ়ি নিয়ে দুচকুৰ টোপনি*
*বাৰে বাৰে শুনো নঙলা মুখত বৈ থকা*
*মাতৃহাৰা শিশুৰ উচুপনি*
*আজিৰ বতাহ পান কৰিলে*
*স্তব্ধ হ'ব খোজে জীৱন*
*হেৰুওৱা উপক্ৰম হয় ছন্দ*
*বাঃ কিযে বিশুদ্ধ বতাহ !*

❑❑



❑❑

# বৰফৰ হাত

বসন্ত কুমাৰ দত্ত
প্ৰাক্তন অধ্যক্ষ

*নামাতিলেও তাই হেনো আহে
আৰু আহিব বুলি শুনিয়ে
দুৱাৰ খিৰিকিবোৰ
জপাই থওঁ
শেৱালি সৰাৰ শব্দত
তাই অহাৰ খবৰ শুনো নেকি
ভয়ে ভয়ে কাণ পাতি
ৰওঁ
নাজানো কোনে কেতিয়া কেনেকৈ
আৱৰণ খুলি ৰোপন কৰি থ'লে
বুকুৰ মাজত কাঁইটীয়া
গোপন অসুখ
জানে জানো কোনোবাই
অহৰহ অনুভৱত দোলা দি থাকে
এটি আপদীয়া বিমূৰ্ত
শব্দ
সঁচাকৈ পাৰিনে জপাই থ'ব
দুৱাৰ খিৰিকি আলহী ঘৰৰ
দিনৰ পিছত দিন
ৰাতিৰ পিচত ৰাতি
এনেয়ে মাঘ মহীয়া জাৰ
থৰ থৰকৈ কঁপিছে
লেহুকা কামিহাড়
তাতে এজাক আবতৰীয়া বতাহ
বতাহ জাকত নিঃশব্দে
ভাহি থাকে অবাঞ্চিত এখন
বৰফৰ হাত
এই যেন এই যেন
নিৰন্ধ্ৰ অন্ধকাৰত ডুব্ যায়
নক্ষত্ৰ খচিত সমস্ত
সবাহ।* ❑❑

# নৱকান্ত বৰুৱাৰ কবিতা

মণিৰ উদ্দিন আহমেদ
স্নাতক ১ম বৰ্ষ (কলা)



যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিসকলৰ ভিতৰৰে এগৰাকী উল্লেখযোগ্য কবি হ'ল নৰকান্ত বৰুৱা। অমূল্য বৰুৱা, হেম বৰুৱা আদিয়ে অসমীয়া কবিতাৰ যি এটা নতুন ধাৰাৰ প্ৰবৰ্তন কৰিছিল, সেই ধাৰাটোৰে প্ৰতিষ্ঠা আৰু জনপ্ৰিয়তা লাভ কৰিছিল নৰকান্ত বৰুৱাৰ হাতত। ১৯২৬ চনৰ ২৯ ডিচেম্বৰত জন্ম গ্ৰহণ কৰা 'কলংপৰীয়া কবি' হিচাপে পৰিচিত নৰকান্ত বৰুৱাই প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ হৈছিল নগাওঁ চৰকাৰী উচ্চ বিদ্যালয়ৰ পৰা। তাৰ পাছত তেওঁ বিশ্বভাৰতীৰ পৰা ইংৰাজীত সন্মানসহ স্নাতক উপাধি লাভ কৰে আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত এম-এ পাছ কৰে। ১৯৫৪ চনত তেওঁ কটন মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰে। শেষলৈ তেওঁ একেখন মহাবিদ্যালয়ৰে উপাধ্যক্ষ হয় আৰু ১৯৮৪ চনত অৱসৰ গ্ৰহণ কৰে। সুদীৰ্ঘ জীৱন সাহিত্যৰ সাধনাত ৰত এই সাহিত্যিকজনক ১৯৭৪ চনত 'মোৰ আৰু পৃথিৱীৰ' কাব্য সংকলনখনৰ বাবে 'অসম প্ৰকাশন পৰিষদ বঁটা' আগবঢ়োৱা হয়। 'ককাদেউতাৰ হাড়' নামৰ উপন্যাসখনৰ বাবে ১৯৭৫ চনত তেওঁলৈ আগবঢ়োৱা হয় 'সাহিত্য অকাডেমী'ৰ বঁটা। তাৰ পাছত ১৯৮০ চনত 'আহত মৰাল' নামৰ গ্ৰন্থখনৰ অনুবাদৰ বাবে আগবঢ়োৱা হয় ছোভিয়েট দেশ নেহৰু বঁটা। সেইদৰে ১৯৫৮ চনত তেওঁক 'আখৰৰ জখলা' নামৰ শিশু গ্ৰন্থখনৰ বাবে ৰাষ্ট্ৰীয় বঁটা দিয়া হয়। ১৯৯০ চনত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৫৬ তম অধিৱেশনত তেওঁ সভাপতিৰ আসন শুৱনি কৰিছিল। তদুপৰি ১৯৬৮ চনত ধিঙত অনুষ্ঠিত অসম সাহিত্য সভাৰ কবি সন্মিলনত তেওঁ সভাপতিত্ব কৰিছিল।

কবিতা, শিশু সাহিত্য, উপন্যাস, নাটক আদি সাহিত্যৰ বিভিন্ন দিশত নৰকান্ত বৰুৱাৰ বহতো গ্ৰন্থ প্ৰকাশ পাইছে আৰু এইবোৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। তেওঁৰ প্ৰকাশিত কবিতাৰ গ্ৰন্থ হৈছে 'হে অৰণ্য হে মহানগৰ', 'এটি দুটি এঘাৰটা তৰা', 'যতি আৰু কেইটামান স্কেচ', 'সম্ৰাট', 'ৰাৱণ', 'মোৰ আৰু পৃথিৱীৰ', 'ৰত্নাকৰ', 'এক স্বচ্ছ মুখাৰে', আৰু 'সূৰ্যমুখীৰ অংগীকাৰ'।

'কপিলীপৰীয়া সাধু' 'ককাদেউতাৰ হাড়', 'গৰমা কুঁৰৰী', 'মানুহ আটাইবোৰ দ্বীপ', 'অপদাৰ্থ' আদি তেওঁৰ প্ৰকাশিত গ্ৰন্থ । তেওঁৰ প্ৰকাশিত নাটক হ'ল 'এটি গীতৰ জন্ম হ'ল', 'কুশজাতক' আৰু 'অভিৰূপান্দ পাটছাবা' । 'আখৰৰ জখলা', 'মাখনৰ কুকুৰা পোৱালি', 'শিয়ালী পালেগৈ ৰতনপুৰ', 'ভত উকাৰে ভু', 'মনত পৰাৰ শব্দ', 'কিশোৰ ৰামায়ণ', 'কিশোৰ উপনিষদ' আদি হ'ল নৰকান্ত বৰুৱাৰ শিশুৰ উপযোগী গ্ৰন্থ । তদুপৰি তেওঁ কেইবাখনো আলোচনী সম্পাদনা কৰিছিল । তাৰ ভিতৰত ১৯৫০ চনৰ পৰা ১৯৬২ চনলৈ 'জোনবাই', ১৯৬৯-৭০ চনত 'পোহৰ', ১৯৮৩ চনৰ পৰা ৮৫ চনলৈ 'সীৰলু' সম্পাদনা কৰিছিল । তেওঁ সম্পাদনা কৰা অন্যান্য গ্ৰন্থবোৰ হ'ল 'ভাৰতীয় চাৰুকলাৰ ভূমিকা', 'গাৰো-ইংলিছ অসমীয়া অভিধান', 'অসমীয়া অভিধান', 'মৰুৱা ফুল', 'India Poetry today' আদি। নৰকান্ত বৰুৱা এগৰাকী সফল গীতিকাৰো । তেওঁৰ দ্বাৰা ৰচিত বহুতো গীতে জনপ্ৰিয়তা লাভ কৰিছে । তেওঁৰ প্ৰকাশিত গীতৰ পুথি হ'ল 'মনৰ খবৰ' ।



১৯৯৩ চনৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাৰ মুখ্য অতিথি হিচাপে ভাষণৰত অৱস্থাত কবি নৰকান্ত বৰুৱা।

নৰকান্ত বৰুৱাৰ কবিতাই আধুনিক অসমীয়া কবিতাক এক নতুন মাত্ৰা প্ৰদান কৰিছিল । তেওঁ মানৱতাবাদী কবি । তেখেতে শিশুৰ পৰা বুঢ়ালৈকে সকলোৰে বাবে কবিতা লিখিছিল । প্ৰকৃতি প্ৰেমী কবি হিচাপে তেওঁ লিখিছিল—

"ভালপাওঁ আকাশৰ মেঘৰ ধেমালি
বেলিৰ লগত থাকে লুকা ভাকু খেলি
ভালপাওঁ পথাৰৰ ৰং সেউজীয়া
ধাননি কঁপাই বোৱা বতাহ বলিয়া।"

মানৱতাবাদী কবি হিচাপে তেওঁ উপলব্ধি কৰে বিশ্বৰ সকলো প্ৰান্তৰৰ যোগসূত্ৰৰ কথা । সকলো দেশতে তেওঁ কাণ পাতি শুনে চিৰন্তন বিশ্ব প্ৰৱাহৰ ঐক্যতান —

"আশাৰ ভাষাৰে আৰু ধৰ্মেৰে কৰ্মেৰে
চিৰন্তন মানুহৰ সন্তান উন্মুখ ।"

কবি নৰকান্ত বৰুৱা এজন দেশ প্ৰেমীও আছিল । শিশুৰ বাবে লিখা এটা কবিতাত তেওঁৰ দেশ প্ৰেমৰ ভাৱ এনেদৰে ফুটি উঠিছে—

"হয়তো নহ'ব পাৰে মোৰ দেশ সবাতোকৈ চহকী
তথাপি আপোন মোৰ দেশ ,
ইয়াৰ নগৰ গাঁও জান জুৰি প্ৰাণৰ চিনাকি
যাৰ নাই মহিমাৰ শেষ ।"

কবিয়ে সদায় সমাজবাদত বিশ্বাস কৰি আহিছে । সমাজবাদী কবি হিচাপে তেওঁ বিশ্ব ভাতৃত্ববোধ'ত বিশ্বাসী । সেয়ে কথা প্ৰসঙ্গত তেওঁ এনেদৰে কৈছিল — "হীৰেন ভট্টাচাৰ্যৰ 'দেশ বুলিলে আদেশ নালাগে' বা 'দেশে দেশে মোৰ দেশ' বুলিলে মই কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাক নুবুজোঁ ।" সকলো মানুহৰ প্ৰতি আছিল তেওঁৰ অবিচলিত

আস্থা । মনতে সদায়ে পুহি ৰাখিছিল এখন সুন্দৰ পৃথিৱীৰ ছবি —

"অস্তিত্ব নহয় মাথোঁ ইতিহাস ভূগোলৰ পাঠ
মানুহৰ সেয়া এক শাশ্বত আশ্বাস
সকলো মানুহ ভাই
তলত পৃথিৱী আৰু ওপৰত উদাৰ আকাশ ।"

কবি নৱকান্ত বৰুৱা সংস্কাৰ কামীও । তেওঁ অতীতৰ অসাৰ্থক চিন্তাধাৰা, কাৰ্য আৰু কুসংস্কাৰবোৰ আঁতৰাই এখন নতুন সমাজ গঢ়িবলৈ বিছাৰিছে —

"উৰুখা পানীয়ে উটুৱাই নিয়ক মৰা মকৰাৰ খোলা
আমাৰ পলসে সাৰুৱা কৰক কলঙৰ দুটি কুল ।"

নৱকান্ত বৰুৱা আশাবাদী কবি । তেওঁ ভবিষত্যৰ উত্তৰাধিকাৰীসকলৰ ওপৰত বিশ্বাস ৰাখি এনেদৰে লিখিছে —

"আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সিৰলুত
আমি সাৰ পাম । সিহঁতে পঢ়িব আমাৰ জীৱাস্মত
জাতিস্মৰৰ হাঁহি উঠা সাধু । সপোন অন্ধ যি গলিত
আমি থাকোঁ তাৰে নয়ান জুলিত সিহঁতৰ ভবিষ্যত।"

কবি নৱকান্ত বৰুৱাক প্ৰেমে আক্ৰমণ নকৰা নহয়, তাৰ প্ৰমাণ পোৱা যায় তেওঁৰ কেইটামান কবিতাত । মনত পৰেনে অৰুন্ধতী, উভতি অহাৰ কবিতা, চকুপানী ফগুনৰ, জোৱাৰ, নৰকত ডন জুৱান আদি তেওঁৰ প্ৰেমৰ কবিতা । কিন্তু কবিতা কেইটিত প্ৰেমৰ উত্তেজনা, যৌনতা, সস্তীয়া আবেগ আদি নাই, আছে জীৱনৰ পৰিপূৰ্ণতা, ব্যস্ততাৰ মাজত খন্তেক আৰাম আৰু জীৱনৰ প্ৰকৃত প্ৰয়োজন জনাৰ প্ৰয়াস—

"ফাগুনে নেজানে
জানে মাথোঁ এটি কথা
স্মৃতি মানে আৰম্ভণি সমাপ্তিবিহীন
স্বপ্ন তাৰ গতিপথ
প্ৰেম তাৰে পৰিণতি যাৰ কোনো আৰম্ভণি নাই ।"

অথবা —

"কিমান ৰাতিনো । হয়তো দুপৰ নিশা
অলকানন্দা, বাহুত ভেজা দি তুমি চাগে' শুই আছা
ৰাতি সুৰভি ধুপৰ ধোঁৱাৰ দৰে
তোমাৰ দেহৰ প্ৰতি খাঁজে খাঁজে ।"

❑❑



# কাব্য সৃষ্টিৰ অন্তৰালত নাৰী আৰু প্ৰেম



সঞ্জয় ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

**সৃ**ষ্টিত প্ৰেমৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। সাহিত্য, কাব্য, গীত, চিত্ৰ, সঙ্গীত আদি সুকুমাৰ কলাৰাজিৰ বহুতৰে সৃষ্টিৰ মূলতে আছে নাৰী আৰু প্ৰেম। নাৰীৰ ভুবন ভুলোৱা মোহিনী ৰূপত মহাদেৱৰ ধ্যান ভঙ্গ হৈছিল । গঢ়ি উঠিছিল আগ্ৰাৰ তাজমহল । নাৰীৰ প্ৰেমৰ বাবে সৃষ্টি হৈছিল বেবিলিনৰ ওলমা বাগান । নাৰীৰ প্ৰেমৰ বাবেই সৃষ্টি হৈছিল মহাকাব্য 'ডিভাইন কমেডি'। গেৎছনৰ প্ৰেমত পৰি গ্যেটে 'ফাউষ্ট'ৰ দৰে যুগজয়ী মহাকাব্যৰ জন্ম দিছিল। বিশ্বখ্যাত সমৰ পটু নেপোলিয়নে যুদ্ধক্ষেত্ৰৰ পৰা জোচেফাই নামৰ এগৰাকী বিধবালৈ বহুত তপত তপত চিঠি লিখিছিল । হেলেনৰ কাৰণে ট্ৰয় নগৰ ধ্বংস হৈছিল আৰু সৃষ্টি হৈছিল 'ইলিয়াদ আৰু ওদিচি'ৰ দৰে দুখন মহাকাব্যৰ। কবিসকলৰ কাব্য সাধনাত নাৰীৰ প্ৰেমে যুগে যুগে অৰিহনা যোগাই আহিছে। স্বনামধন্য সাহিত্যিক শ্যেলী, কীটছ, বাইৰন আদি বহু কবিৰ কাব্য সম্ভাৰৰ মূলতে হৈছে প্ৰেম। শ্যেলীৰ কাব্য সৃষ্টিৰ আঁৰত আছিল হেৰিয়ট, মেৰিজেন আদি নাৰীৰ প্ৰেম আৰু প্ৰেৰণা। কীট্ছৰ কাব্য সাধনাৰ প্ৰেৰণা দায়িনী আছিল ফেনীব্ৰন নামৰ এগৰাকী নাৰী।

ভাৰতীয় সাহিত্যত প্ৰেম মাধুৰ্যৰে ভৰা কবিতাৰ উৎকৰ্ষ সাধিত হৈছিল জয়দেৱ, বিদ্যাপতি, চণ্ডীদাস আদি মধ্যযুগীয় কবিসকলৰ হাতত। বঙ্গীয় কবি জয়দেৱৰ 'গীতগোবিন্দ' এখন অন্যতম প্ৰেমৰ কাব্য। বিদ্যাপতিৰ কবিতাত ৰাধা, বৃন্দাবন, যমুনা আদিৰ এক বিচিত্ৰ প্ৰেমৰ সমাবেশ ঘটিছে। প্ৰিয়াক বেদমাতা, গায়ত্ৰীৰ আসনত বহুৱা চণ্ডীদাসৰ প্ৰেম আছিল পাৰ্থিৱ শৰীৰৰ আধাৰত ধৰা দিয়া এক অপাৰ্থিৱ অনুভূতি।

প্ৰাচীন অসমীয়া মানুহৰ প্ৰেম সম্পৰ্কীয় অভিজ্ঞতাৰ একমাত্ৰ নিদৰ্শন পোৱা যায় ঘাইকৈ বিহুগীত, বনগীত আৰু বাৰমাহী গীতত। বিহুগীত, বনগীতবোৰেই অসমীয়া প্ৰেমৰ কবিতাৰ আদিম চানেকী-

নামেৰে কঠীয়া ঈশ্বৰে সৰজা
ব্ৰহ্মাই সৰজা নাম
বেয়া নাম ওলালে সৰ্বদোষ ক্ষেমিবা
প্ৰথমে পীৰিতি গাম।

আধুনিক অসমীয়া সাহিত্যত প্ৰেমৰ কবিতা প্ৰথম বিচাৰি পোৱা যায় ৰোমাণ্টিক যুগত। ১৮৮৯ চনত 'জোনাকী' কাকতৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা 'বনকুঁৱৰী' নামৰ কবিতাটোৱে আছিল অসমীয়া সাহিত্যৰ প্ৰথমটো ৰোমাণ্টিক কবিতা। 'জোনাকী' কাকতে প্ৰবৰ্তন কৰা এই ধাৰা দ্বিতীয় মহাসমৰলৈকে চলি আছিল। অসমীয়া সাহিত্যৰ এই যুগটোক 'ৰোমাণ্টিক যুগ' বুলি কোৱা হয়। ৰোমাণ্টিক কবিতাৰে আৰম্ভ হোৱা প্ৰেমৰ এই ধাৰা এতিয়ালৈকে বিভিন্ন শৈলীত অসমীয়া কবিতাত প্ৰৱাহিত হৈয়ে আছে-

" তোমাৰ দুচকু সখি
পুৰতি তৰা
মৰতত বই যায়
প্ৰেমৰ নিজৰা।"
(ৰঘুনাথ চৌধাৰী)

'প্ৰতিমাৰ খনিকৰ' বুলি পৰিচিত চন্দ্ৰকুমাৰ আগৰৱালা আছিল ৰোমাণ্টিক অসমীয়া কবিতাৰো খনিকৰ । তেওঁৰ কবিতা পৰবৰ্তী ৰোমাণ্টিক কবি সকলৰ আদৰ্শ আৰু প্ৰেৰণাৰ স্থল । এইজন মানৱতাবাদী কবিৰ মতে প্ৰেম হৈছে মৃত্যুঞ্জয়ী —

" প্ৰেমৰ আগত কিবা দুখ
কিবা মৃত্যু ? প্ৰেম মৃত্যুঞ্জয়ী ।"

জাতে-পাতে নিভাঁজ অসমীয়া ৰসৰাজ লক্ষীনাথ বেজবৰুৱাৰ কবিতাত অসমৰ মাটিৰ গোন্ধ আৰু প্ৰেমৰ জয়ঢোলৰ মাত শুনিবলৈ পোৱা যায় । তেওঁৰ মতে, "প্ৰেমত ঘুৰিছে ভূমণ্ডল, প্ৰেমত ফুলিছে শতদল ।" 'ভ্ৰম' নামৰ কবিতাটো বেজবৰুৱাৰ কল্পনা আৰু প্ৰেমৰ অপূৰ্ব নিদৰ্শন । 'প্ৰিয়তমা', 'প্ৰিয়তমাৰ সৌন্দৰ্য' আদি তেওঁৰ প্ৰেম সম্পৰ্কীয় কবিতা ।

ৰোমাণ্টিক কবি হিচাপে ৰত্নকান্ত বৰকাকতিৰ স্থান যতীন্দ্ৰ নাথ দুৱৰাৰ পাছতে । প্ৰেমত নিবিষ্ট হোৱাৰ আগতে বিশ্বজগতৰ সকলোবোৰ বস্তুৱেই আছিল কবিৰ কাৰণে আকৰ্ষণীয় । 'শেৱালীৰ কবি' হিচাপে পৰিচিত কবিজনাৰ মন-প্ৰাণ মতলীয়া কৰা বায়ু গাত লাগিবলৈ ধৰোতেই এদিন প্ৰিয়াক দেখা পালে । যিদিনাই প্ৰেমিকা আহি কবিৰ চকু ছাটমাৰি উজলি উঠিল , তেতিয়াৰ পৰাই বিনন্দীয়া প্ৰকৃতিৰ সকলো সৌন্দৰ্য হৰণ কৰি কবি প্ৰিয়াই কবিৰ মন মন্দিৰত 'অৰ্দ্ধেক মানৱী অৰ্দ্ধেক কল্পনা' ৰূপে অধিষ্ঠিত হ'ল —

"যিদিনা হন্তে
চকু ছাত মাৰি
তুমি উজলিলা মোৰ
সেই দিন ধৰি
যেন নিলা হৰি
তিল তিলক'ই
সকলোবোৰ ।"

বৰকাকতিৰ এই প্ৰেমৰ এটা সময়ত মানৱীয় প্ৰেমৰ সীমা অতিক্ৰম কৰি অতীন্দ্ৰিয় প্ৰেমলৈ উত্তৰণ ঘটিছে । তেওঁ প্ৰেয়সীক দেখিবলৈ পাইছে প্ৰকৃতিৰ সকলো উপাদানতে —

"এতিয়া নাই আকাৰ তোমাৰ
সৰ্ব বিয়পি গ'লা
সৰ্ব ৰূপতে এতিয়া যে তুমি
আকৌ মোৰে হ'লা ।"

অসমীয়া কবিতালৈ প্ৰেমৰ কবিতা উপহাৰ দিয়া কবি অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'তুমি' কাব্যত ব্যক্তিপ্ৰেমৰ ভগৱৎ প্ৰেমলৈ উত্তৰণ ঘটিছে। আধ্যাত্মিকতাৰ ভাৱধাৰাৰে পুষ্ট কাব্যখনিৰ সৃষ্টিৰ অন্তৰালত ডেকাকালত দেখা এগৰাকী নাৰীৰ প্ৰতি থকা দুৰ্বলতাক কবিয়ে স্বীকাৰ কৰিছে । 'বীণা' কাব্যত তেওঁ কৈছে — আকাশতকৈও উদাৰ, আলোকতকৈও উজ্বল, প্ৰেমতকৈও পবিত্ৰ, ভক্তিতকৈও কোমল, তত্বতকৈও গভীৰ যি সুন্দৰীৰ সৌন্দৰ্য অন্তৰ্জগতত উদ্ভাসিত হৈ থাকে, সেই চেনেহী ৰূপহীয়েই তেওঁৰ প্ৰেয়সী —

"তুমি শান্তিৰ ৰাঙলী আভা
গাভৰুৰ গোলাপী গালত ;
তুমি শান্তিৰ জিৰণিখিনি
চেনেহীৰ বাহুৰ তলত ।"

প্ৰকৃত প্ৰেমে প্ৰতিদান নিবিচাৰে আৰু প্ৰকৃত প্ৰেমৰ কেতিয়াও যৱনিকা নপৰে । প্ৰেমৰ কবি গণেশ গগৈৰ কবিতা 'পাপৰি'ত পোৱা যায় —

"নকৰিবা ভয় সখি প্ৰেমময় জগতত
পৰাণে নুবুজে যদি পৰাণৰ মোল
অলিয়া বলিয়া হই কলীয়া ভোমোৰা আহি
কাঁইটীয়া গোলাপৰ নিবিচাৰে ফুল ।"

অসমীয়া ৰোমাণ্টিক কবিতাৰ তৃতীয় স্তৰৰ কবি গণেশ গগৈৰ কবিতা পুথি হ'ল 'পাপৰি', 'স্বপ্ন ভঙ্গ' আৰু 'ৰূপজ্যোতি' । এইজন কবিৰ কবিতা সম্পৰ্কে ড° মহেশ্বৰ নেওগদেৱে লিখিছে — "গগৈৰ প্ৰেম বহুতো গুণে অধিক ইন্দ্ৰিয় গ্ৰাহ্য (Sensous) , প্ৰেমাস্পদৰ শৰীৰৰ অঙ্গে অঙ্গে তেওৰ বাবে আকৰ্ষণ । এই বিষয়ৰ গগৈৰ কবিতাত বনগীতৰ শিঁহৰণ যেন সাৰ পাই উঠিছে ।" ড° নীলমোহন ৰায়ৰ মতে, 'গগৈৰ কবিতাত প্ৰেমৰ আকুলতা, মিলন-বাসনা, স্বপ্ন, স্বপ্নভংগ, প্ৰেমত পৰি দগ্ধ হোৱা অন্তৰৰ আক্ষেপ আৰু সান্ত্বনা, বিৰহে

দেই পুৰি নিয়া হৃদয়ৰ কাতৰতা, বিচ্ছেদৰ অৱস্থা আৰু প্ৰেমৰ জয় গান উচ্চাৰিত হৈছে ।"

যুগসন্ধিৰ কবি দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' নামৰ কবিতা পুথিখনত প্ৰেমৰ অনুভূতিয়ে প্ৰাধান্য লাভ কৰিছে ।সেইকাৰণে ড° মহেন্দ্ৰ বৰাই এওঁক 'তামসিক কবি' বুলি আখ্যা দি লিখিছে, "এওঁৰ কবিতাত ইন্দ্ৰিয় প্ৰেমৰ সৰ্বোত্তম প্ৰকাশ ঘটিছে ।এওঁৰ 'সাগৰ দেখিছা' অসমীয়া কাব্য সাহিত্যৰ এটি অপৰূপ বিস্ময় ।" দেৱকান্ত বৰুৱাই নাটকীয় উক্তিৰে অসমীয়া কবিতা ৰচনা কৰাৰ এক নতুন ধাৰাৰ প্ৰৱৰ্তন কৰে । এওঁৰ কবিতাত বিশুদ্ধ প্ৰেমে এক বিশেষ স্থান লাভ কৰিছে । এই সম্পৰ্কে ড° মহেশ্বৰ নেওগদেৱে লিখিছে - "ৰবাৰ্ট ব্ৰাউনিঙৰ ড্ৰেমেটিক মনোলগ বা নাটকীয় নিৰ্জনোক্তিৰ ৰূপ আৰু গদ্যৰ সমীপৱৰ্তী কাব্য শৈলী গ্ৰহণ কৰি দেৱকান্ত বৰুৱাই ৰোমাণ্টিক প্ৰেমৰ কবিতাত এটি অভিনৱ ভংগী প্ৰয়োগ কৰিলে, তাক যেন নতুন এক জীৱন দান কৰিলে ।" সেয়ে তেওঁ নিসংকোচে প্ৰেমিকাক ক'ব পাৰিছে —

"আহা মোৰ ওচৰতে বহা । কিয়নো কৰিছা লাজ সোণ ?  
একো লাভ নাই ।  
কলঙৰ নিজান পাৰত তুমি আৰু মই আছোঁ মাথোঁ  
কদম জোপাই ।

যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিসকলৰ কবিতাতো প্ৰেমৰ অনুভূতি প্ৰকাশ নোপোৱাকৈ থকা নাই ।নৱকান্ত বৰুৱাৰ 'এটা প্ৰেমৰ কবিতা', নিৰ্মল প্ৰভা বৰদলৈৰ 'সংজ্ঞা ঃ প্ৰেমৰ', হীৰেন ভট্টাচাৰ্যৰ 'বিষন্ন ৰাতিৰ ফুল', নীলিম কুমাৰৰ 'নাৰী' আদি কবিতাত প্ৰেমাতুৰ অন্তৰৰ অনুভূতি প্ৰকাশ পাইছে । যেনে —

"প্ৰেম নিশ্চয় এনেকুৱাই  
আৱৰণ খুলি হৃদয় জুৰায় ।' (হীৰেন ভট্টাচাৰ্য)

"আকৌ মোৰ হৃদয়ৰ দুৱাৰ মুখত ভৰি দিছে  
প্ৰেমৰ সৈন্য, দুখৰ সৈন্য  
কাৰণ হৃদয় প্ৰেম আৰু দুখৰ । (নীলিম কুমাৰ)

প্ৰেম সৌন্দৰ্যময় । বিশ্বজগতত প্ৰেমৰ বাবে সৃষ্টি হৈছে বহুত কাব্য, মহাকাব্য আৰু মহৎ গ্ৰন্থৰ । প্ৰেম মানৱ জীৱনৰ অন্যতম স্বৰ্গীয় অনুভূতি । প্ৰেমৰ বাবেই জীয়াই আছে পৃথিৱী, সজীৱ হৈ আছে পৃথিৱীৰ মানুহ —


প্ৰেমৰ আধাৰ প্ৰেম পাৰাপাৰ  
ক্ষুদ্ৰ হিয়াখনি তোৰ,  
প্ৰেমৰ তৰঙ্গ তুলি তালে তালে  
জগত পেলালি জুৰ । (ৰঘুনাথ চৌধুৰী)

❑❑



# জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিপ্লৱী কণ্ঠ

যতীন দাস
স্নাতক ১ম বৰ্ষ (কলা)



জ্যোতিপ্ৰসাদ আগৰৱালা আছিল এগৰাকী লিখক তথা শিল্পী। তেখেতৰ প্ৰতিটো কথা আৰু কাৰ্যত বিপ্লৱৰ মূৰ্ত প্ৰকাশ ঘটা পৰিলক্ষিত হয়। ১৯০৩ চনৰ ১৭ জুন তাৰিখে ডিমৰুৰ মদাৰখাট মৌজাৰ তামোলবাৰী চাহ বগিছাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হয়। লাহে লাহে জ্যোতিপ্ৰসাদ ডাঙৰ হয়,দেহলৈ যৌৱন নামি আহে । যৌৱন সদায়েই উদ্দাম, বাধাহীন । ই সদায়েই সৰব আৰু প্ৰাণচঞ্চল । প্ৰশ্নৰ পিছত প্ৰশ্ন তুলি জীৱনৰ অৰ্থ বিছাৰি লয় সময়ে । ঠিক তেনে সময়তে আবিষ্কৃত হয় জ্যোতিপ্ৰসাদ আগৰৱালা নিজে । মাত্ৰ ১৪ বছৰ বসয়তে তেওঁ 'শোণিত কুঁৱৰী' নাটক ৰচনা কৰি প্ৰতিভাৰ পৰিচয় দিয়ে। জ্যোতিপ্ৰসাদ আগৰৱালা আছিল মাৰ্ক্সীয় ভাৱাদৰ্শেৰে পৰিপুষ্ট সমাজবাদী শিল্পী। সমাজবাদেহে শোষিত জনতাক মুক্তি দিব পাৰে বুলি তেওঁৰ বিশ্বাস । তেওঁ নতুন সমাজ গঢ়াৰ সপোন দেখিছিল । সেয়েহে তেওঁ শিল্পী হৈও ছাত্ৰ অৱস্থাতে স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিছিল । মুঠৰ ওপৰত বিপ্লৱৰ দ্বাৰাই তেওঁ সমাজখনৰ এক বিৰাট পৰিবৰ্তন কৰিবলৈ বিচাৰিছিল । আকৌ তেওঁৰ মতে বিপ্লৱেই একমাত্ৰ আহিলা, যাৰ মাধ্যমেৰে জনতাৰ ওপৰত চলোৱা শোষণৰ অন্ত পেলাই ৰূপান্তৰেৰে নতুন যুগৰ নতুন সমাজ এখন গঢ়িব পাৰি —

" শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্তমানৰ
অনাগত ভৱিষ্যতৰ ।
আদিতেই যাত্ৰা কৰি অনাদিলৈ যাওঁ
ধ্বংসৰ মাজেদি মই
ৰূপান্তৰেদি ৰূপ পাই
নৰতম সৃষ্টিৰ শলিতা জ্বলাওঁ ।
জনতাৰ হৃদয়ত মোৰ সোনোৱালী দেশ

মই পিন্ধোঁ বিশ্ববেশ
নতুন দৃষ্টিৰে চাওঁ সৃষ্টি অনিমেষ ।।"

সংস্কৃতিৰ সুন্দৰ শাসন প্ৰবৰ্তন কৰিবলৈ হ'লে বিপ্লৱ মুখ্য হ'ব লাগিব । সেইফালৰ পৰা নিসন্দেহে তেওঁৰ লিখনিবোৰত বৈপ্লৱিক চিন্তাধাৰাৰ প্ৰকাশ পাইছে । জ্যোতিপ্ৰসাদ আগৰৱালা হৈছে আধুনিক অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত স্থান লাভ কৰা এগৰাকী উল্লেখযোগ্য নাট্যকাৰ । তেওঁ সেই সময়ৰ অসমীয়া নাটক ৰচনাৰ পৰম্পৰাগত ধাৰাৰ পৰা আঁতৰি আহি ইব্‌চেন, বাৰ্ণাৰ্ড শ্ব' আদি পশ্চিমীয়া নাট্যকাৰৰ কলা-কৌশলৰ আৰ্হিত নাটক ৰচনা কৰে । বিশেষকৈ প্ৰতিটো দৃশ্যতে বহল মঞ্চ নিৰ্দেশনা, দৃশ্য-অংক বিভাজনত অনিয়মীয়তা, স্বগতোক্তি-অমিত্ৰাক্ষৰ ছন্দৰ কম ব্যৱহাৰ আদি পোন প্ৰথম বাৰৰ বাবে জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত দেখিবলৈ পোৱা যায় । তেখেতে 'শোণিত কুঁৱৰী', 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'লভিতা', 'নিমাতী কইনা' আদি নাটক ৰচনা কৰে । নাটকৰ উপৰিও তেখেতে গল্প, প্ৰবন্ধ, উপন্যাস, কবিতা আদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ যায় । তেখেতৰ হাততে প্ৰথম অসমীয়া কথাছবি 'জয়মতী'য়ে ১৯৩৫ চনত জন্ম লাভ কৰে ।



প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ সম্পাদনা কৰি থাকোঁতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা

জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিটো লিখনিতে বৈপ্লৱিক চিন্তাধাৰা নিহিত হৈ আছে । সমাজৰ ৰূপান্তৰ ঘটাবলৈ তেখেতে সমগ্ৰ অসমবাসীৰ মাজত বিপ্লৱৰ বীজ সিঁচি দিছিল তেখেতৰ বিভিন্ন লিখনিৰ জৰিয়তে। তেখেতে 'লভিতা' নাটকত বৈপ্লৱিক চিন্তাধাৰ প্ৰকাশ কৰিছে এনেদৰেঃ

হাতত নিচান লোৱা ছোৱালী (বৰ উত্তেজিত হৈ)
ঃ চলাম, চলাম । এশবাৰ চলাম । হাজাৰ বাৰ চলাম গৱৰ্ণমেণ্ট । আমাৰ দেশ, আমাৰ মাটি, আমাৰ নৈ, আমাৰ পৰ্বত, আমাৰ আকাশ — সকলো আমাৰ । অ' — গাঁওত ধান বানি আছিলোঁ, বোকা খচকি ভুঁই ৰুই আছিলোঁ, গৰু ৰাখি আছিলোঁ — এতিয়া গৱৰ্ণমেণ্ট চলাম — চলামেই চলাম । কিয়, কিয় নচলাম ? তইঁত পুলিচ-দাৰোগা, হাকিম, বৰচাহাব, লাট চাহাব সকলোৱে গাঁওলীয়া ৰাইজৰ হুকুম মতে চলিব লাগিব ।...............

লভিতা (দাঁত কামুৰি) ঃ চুপ নাথাকোঁ । নাথাকোঁ, নাথাকোঁ । জানিছ গোলামৰ গোলাম । আজিকালিৰ ছোৱালীয়ে পিষ্টল, বন্দুক, বৰতোপ, বোমা একোলৈকে ভয় নকৰে । পিষ্টল দেখুৱাই আজিৰ ছোৱালীক ভয় দেখুৱাবলৈ আহিছ ? (এই বুলি দাৰোগাৰ হাতৰ পৰা পিষ্টল থাপ মাৰি লৈ অলপ পাছ হুহকি দাৰোগাৰ বুকুৰ ওপৰত ধৰে ) মই গান্ধীৰ বহীত নাম লিখোৱা নাই জানিবি বাপেৰে ..............."

ডেকা শক্তিক জগাই তুলিবলৈ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে বৈপ্লৱিক সত্তাৰ মূৰ্ত প্ৰকাশ ঘটাইছে লভিতা নাটকৰ জৰিয়তে — "তুমি নক'বা আজিৰ দিনৰ ডেকা বুলি, তোমাক নিজকে সেই বুলি ভূৰা নিদিবা । যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হ'বই নোৱাৰে। ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশৰ চলি থকা অন্যায় নিয়ম-কানুন, মূৰ্খ সমাজৰ, সংকীৰ্ণ মনৰ মানুহৰ নিৰপৰাধী নিমাখিতৰ ওপৰত অন্যায় অত্যাচাৰৰ বিৰুদ্ধে নিজৰ সুখ-সম্পদ আনকি জীৱনকো দি যি ডেকাৰ থিয় হ'বলৈ মনত বল নাই, বুকুত শক্তি নাই, সি আজিৰ ডেকা হ'বই নোৱাৰে।"

'কাৰেঙৰ লিগিৰী' নাটকখনতো জ্যোতিপ্ৰসাদ আগৰৱালাৰ বৈপ্লৱিক চিন্তা ধাৰাৰ প্ৰকাশ ঘটিছে ।নাটকখনৰ পাতনিত তেওঁ নিজেই কৈছে — "ইয়াৰ Underlying idea হৈছে সেই সনাতন সুন্দৰতাৰ বৈপ্লৱিক মনটো, যি বৈপ্লৱিক প্ৰগতিৰ বাটত যাব খোজে । সি তাৰ অন্তৰায়বোৰৰ সৈতে কেনেকৈ সংঘাত কৰে আৰু তাৰ প্ৰতিষ্ঠাৰ বাবে সি কেনেকৈ সামাজিক প্ৰথা, শ্ৰেণী ব্যৱস্থা ইত্যাদি সকলো গছকি পেলাবলৈকো নিৰ্মম ভাৱে প্ৰস্তুত তাকো দেখুওৱা হৈছে । ইয়াৰ উপৰিও বৈপ্লৱিক মনস্তত্ত্বই প্ৰণয় আৰু শ্ৰেণীক্ষেত্ৰত কেনেকৈ সত্যৰ বাবে সৰ্বস্ব ত্যাগ কৰি মানৱ প্ৰগতিৰ বাটত আগবাঢ়ে, তাকো দেখুৱাবলৈ চেষ্টা কৰা হৈছে ।" নাটকখনত থকা সুঁন্দৰ কোঁৱৰৰ সংলাপৰ জৰিয়তে এই বৈপ্লৱিক চিন্তাধাৰাৰ প্ৰকাশ ঘটিছে এনেদৰে — "মই বিদ্ৰোহৰো বিদ্ৰোহ, মহা বিদ্ৰোহ, মই মহা বিপ্লৱৰ অগ্নি । মোৰ কামেই হৈছে পৃথিৱীৰ মহা মহত্বৰ বিৰোধী আসুৰিক শক্তিক জয় কৰা - সিহঁতৰ সৈতে যুদ্ধ কৰি সিহঁতক নিৰ্মূল কৰা।"

জ্যোতিপ্ৰসাদ আগৰৱালাৰ গল্পৰাজিতো বিপ্লৱৰ নিদৰ্শন পোৱা যায়। 'সন্ধ্যা'ত তেখেতে এনেদৰে লিখিছে — "লাহে লাহে মোৰ মন বিদ্ৰোহী হ'ল। নিজৰ ভাইৰ প্ৰতি বিদ্ৰোহী হ'ল, নিজৰ জাতিৰ প্ৰতি বিদ্ৰোহী হ'ল। এনেহে ইচ্ছা হ'ল যেন ধুমকেতু হৈ পৃথিৱীৰ এক প্ৰান্তৰ পৰা এক প্ৰান্তলৈ উফৰি যাওঁ আৰু মোৰ জলন্ত নেজৰ ছাটি মাৰি সকলো অত্যাচাৰীক পুৰি ছাই কৰি দিও । ৰজাৰ মূৰৰ মুকুট খহাই দিওঁ। ৰাজপ্ৰসাদবোৰ ভস্ম কৰি দিওঁ ।"

জ্যোতিপ্ৰসাদ আগৰৱালা আছিল স্বাধীনতা সংগ্ৰামী, মুক্তি প্ৰয়াসী । তেখেতৰ ৰচনাৰাজিত সাম্ৰাজ্যবাদী ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে কঠোৰ দৃষ্টিভঙ্গী প্ৰকাশ পাইছে । তেওঁৰ গীত আৰু কবিতাসমূহতো বিপ্লৱৰ ঢৌ বাগৰি গৈছে। তেখেতে কবিতাৰ মাজেদি অসমীয়া জাতিটোক সতৰ্ক কৰি দিছিল এনেদৰে—

"ভাষাত শত্ৰু
দেশত শত্ৰু
কলা-সাহিত্যত
সঙ্গীত- শিল্পত
সোমাল শত্ৰু তোৰ ভিতৰত
শত্ৰু আহিছে বেয়া বতৰত
মণিকূট গৈ পোৱাৰ আগতে
সমূলে নিপাত কৰ ;
আপোনাৰ ঘৰ
ৰাখিবলৈ তই
কালৰ মূৰ্তি ধৰ
কঠোৰ প্ৰতিজ্ঞা কৰ
অস্ত্ৰ-শস্ত্ৰ ধৰ
ক্ষেত্ৰে ক্ষেত্ৰে ৰণ সাজ পিন্ধি
নিজৰ কৰ্তব্য কৰ ............. ।"

জ্যোতিপ্ৰসাদৰ গীতসমূহতো বিপ্লৱৰ জয় ধ্বনি শুনা যায়—

"জননীৰ সন্তান জাগা
জাগা শক্তিমান জাগা মুক্তিমান ।
মৃত্যু গচকি আনা জয় জিনি
কৰি দুৰ্জয় অভিযান ।
শক্তি গায়ত্ৰী মনত পেলোৱা
হোৱা দুনিৰ্বাৰ .....
তেতিয়া তোমাৰ জয় নিনাদত শত্ৰু কম্পামান
অ' মোৰ আপোন পাহৰা দুৰ্মদ বীৰ
অজেয় নৱজোৱান ।"

❑❑